بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ২৮ ফেব্রুৱাৰীত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ডত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে -আজি মই যিজন চাহাবীৰ বিষয়ে বৰ্ণনা কৰিম তেখেতৰ নাম হল হজৰত মুছাব বিন উমিৰ (ৰাঃ)। হজৰত মুছাব বিন উমিৰ (ৰাঃ) কুৰাইছৰ এটা কবিলা বণু আবদালদাৰৰ লোক আছিল। হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ মাক মক্কাৰ এজনী চহকী মহিলা আছিল। হজৰত মুছাব বিন উমিৰ (ৰাঃ) ৰ মাক-দেউতাকে তেখেতক বৰ মৰম কৰিছিল। হজৰত মুছাব বিন উমিৰ (ৰাঃ) ৰ মাকে তেখেতৰ সম্ৰান্ত যা-যোগাৰেৰে আথে বেথে লালন পালন কৰিছিল। মাকে তেখেতক উত্তম পোছাক, পৰিচ্ছদ পিন্ধাইছিল আৰু মক্কাৰ আটাইতকৈ উচ্চ পৰ্যায়ৰ সুগন্ধি ব্যৱহাৰ কৰোৱাইছিল। তেখেতক হুজৰমৌত অঞ্চলত বনোৱা হুজৰমি জোতা পিন্ধোৱাইছিল। এইবোৰ জোতা বিশেষকৈ সেই সময়ৰ চহকী লোক সকলৰ বাবে বনোৱা হৈছিল। হজৰত মুছাব বিন উমিৰ (ৰাঃ) ৰ পত্নীৰ নাম আছিল হামনা বিনতে জুহাশ (ৰাঃ)। তাই ৰছুলুল্লাহ (ছাঃ)ৰ পত্নী উম্মুল মোমিনিন হজৰত জয়নব বিনতে জুহাশৰ ভগ্নী আছিল।

হজৰত মুছাব বিন উমিৰ (ৰাঃ) ৰ উচ্চ মৰ্যাদা সম্পন্ন চাহাবা সকলৰ ভিতৰত এজন বুলি গণ্য হৈছিল। এখেত (ৰাঃ)য়ে ইছলামৰ প্ৰাথমিক অৱস্থাতেই মুছলমান হৈছিল। কিন্তু এই বিষয়টো নিজৰ মাতৃ আৰু সম্প্ৰদায়ৰ বিৰুধীতাৰ ভয়ত গোপন ৰাখিছিল। হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে কোনোবায় নজনাকৈ মনে মনে গৈ নবী কৰিম (ছাঃ)ৰ লগত দেখা সাক্ষাৎ কৰিছিল। এবাৰ উচমান বিন তালহা এখেতক নমাজ পঢ়োতে দেখিছিল আৰু সেই খবৰ মুছাব (ৰাঃ)ৰ মাক আৰু পৰিয়ালক জনাইছিল। তেতিয়া মাক-দেউতা এখেতক গৃহ বন্ধী কৰিছিল। কিন্তু তাৰ পৰা কোনোমতে পলাই সাৰি হাবশালৈ হিজৰত কৰিছিল। কিছুদিন পিছত যেতিয়া কিছুমান মুহাজেৰিনে হাবশাৰ পৰা মক্কালৈ ওভতি আহিছিল তেতিয়া মুছাব বিন উমিৰ (ৰাঃ)ৰ মাকে এখেতক বাটকুৰি বাই অহা দূৰ অৱস্থা চাই ভৱিষ্যতলৈ বিৰুধীতা কৰা এৰি দিছিল আৰু পুত্ৰক নিজৰ ইচ্ছামতে চলিবলৈ এৰি দিছিল।

হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে দুবাৰ হিজৰত কৰাৰ সৌভাগ্য লভিছিল। এখেত (ৰাঃ)য়ে পোন প্ৰথমে হাবশা আৰু পিছত মদিনালৈ হিজৰত কৰিছিল। হজৰত ছাআদ বিন আবি উকাছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত মুছাব বিন উমিৰ (ৰাঃ) ক মই সম্ৰান্ত পৰিয়ালত আৰামত থকা কালতও দেখিছো আৰু মুছলমান হোৱাৰ পিছতো দেখিছো। ইছলামৰ নিমিত্তে তেখেতে ইমানেই দুখ যন্ত্ৰনা সহিব লগা হৈছিল যে - মই দেখিছিলো তেখেতৰ শৰীৰৰ ছাল ছাল এনেদৰে উঠি গৈছিল যেনিবা সাপে ছলং এৰাৰ (ছাল সলাই লোৱা)ৰ দৰে হৈ আকৌ নতুন ছাল আহি আছে। এখেত (ৰাঃ)য়ে এনেকুৱা কোৰবানীৰ নজিৰা স্থাপন কৰিছিল, যি বৰ আচৰিত হব লগীয়া কোৰ বানী আছিল।

মদিনাত এদিন হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহিছিল, তেতিয়া তেখেত (ৰাঃ)য়ে চাহাবা সকলৰ ওচৰত বহি আছিল। সেই সময়ত হজৰত মুছাব (ৰাঃ)ৰ ফটা ছিঙা কাপোৰত ছালেৰে টাপলি মৰা আছিল। হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে আহি ছালাম দিছিল আৰু আঁহজৰত (ছাঃ)য়ে তাৰ উত্তৰ দিছিল আৰু সহানুভূতিৰে এখেতৰ শলাগ লৈছিল। তেখেত (ছাঃ)য়ে কৈছিল যে - আলহামদু লিল্লাহ ! জগতৰ মোহত থকা সকলক, সিহঁতৰ জাগতিক স্বাচ্ছন্দ লাভ হওঁক। মই মুচাবক সেই সময়তও দেখিছো, যেতিয়া মক্কা চহৰত তেওঁতকৈ ধনবন্ত চহকী কোনো নাছিল। এওঁ আছিল মাক দেউতাকৰ অতি চেনেহৰ সন্তান। কিন্তু খোদা আৰু তাৰ ৰছলুৰ প্ৰেমে আজি তাক এনেকুৱা অৱস্থালৈ লৈ আনিছে আৰু তেওঁ আজি খোদা তায়ালাৰ সন্তষ্টি লাভাৰ্থে সেই সকলো এৰি দিছে।

হজৰত আলি (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে - তেখেত (ৰাঃ)য়ে কৈছে যে -আমি ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে মছজিদত বহি আছিলো এনেতে হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে আহি উপস্থিত হৈছিল, তেখেতৰ শৰীৰত এখন ছালেৰে টাপলি মৰা চাদৰ আছিল, যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে তেখেতৰ এই অৱস্থা দেখিছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে মুছাবৰ পূৰ্বৰ সেই ধন-মাল,

আৰামত কথা মনত পেলাই চকুলো টুকিছিল আৰু ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল তোমালোকৰ তেতিয়া কি অৱস্থা হব যেতিয়া এজনে এযোৰ সাজত ৰাতি পূৱাব আৰু আন এযোৰ সাজত আৱেলি কটাব। অৰ্থ্যাৎ ইমানেই সহজ লভ্যতাৰ জন্ম হব যে পূৱা আৱেলিতে কাপোৰ সলাই পিন্ধিবা। আকৌ তেখেত (ছাঃ)য়ে কৈছিল যে তেওঁলোকৰ সন্মূখত এটা পাত্ৰ ভোজনৰ আনি দি আনটো উঠাই লোৱা হব। অৰ্থ্যাৎ খাদ্য দ্ৰব্যও বিভিন্ন ধৰণৰ খাবলৈ অনাসায়ে পাব আৰু লঘু গুৰু বিভিন্ন খাদ্য সম্ভাৰ যোগান ধৰা হব। কেনকৈ বৰ্তমানে প্ৰচলিত হৈছে। তোমালোকে নিজৰ ঘৰখনত এনেকুৱা পৰ্দা আঁৰি লবা যেনেকৈ কাবাৰ ওপৰত পৰ্দা আবৃত কৰা হয়। অৰ্থ্যাৎ দামী পৰ্দা ব্যৱস্থাৰ ব্যৱহাৰ কৰা হব। ঠিক বৰ্তমান তাৰেই দৃশ্য দেখিবলৈ পোৱা যায়। এনে সা-সুবিধা মুছলমান সকলে বহু দুখ কষ্টৰ পিছত লাভ কৰিছিল। চাহাবা সকে সুধিছিল ইয়া ৰছুলুল্লাহ (ছাঃ) আমি সেই সময়ত বৰ্তমানতকৈ বেছি ভালে থাকিমনে ? ইবাদত কৰিবলৈ ছুটি পামনে ? এনেকুৱা সুবিধা হলে অৰু এনেকুৱা অৱস্থা হলে দেখোন ইবাদতৰ বাবে যথেষ্ট সময় পোৱা যাব আৰু দুখ কষ্ট পৰিশ্ৰমৰ পৰা ৰক্ষা পাম। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল নহয় ! বৰং আজি তোমালোকে সেই দিনবোৰতকৈ ভালে আছা। তোমালোকৰ অৱস্থা তোমালোকৰ ইবাদত তোমালোকৰ মান মৰ্যাদা তাতকৈ বহু উৰ্ধত হব, যি পিছত অহা সকলে সহজ লভ্য হিচাপে লাভ কৰিব।

বয়াতে উকবা প্ৰথম সময়ত মদিনাৰ পৰা অহা বাৰজন লোকে ৰছুলুল্লাহ (ছাঃ)ৰ হাতত বয়াত কৰিছিল। যেতিয়া এই সকলে মদিনালৈ ওভতি যাবলৈ লৈছিল তেতিয়া নবী (ছাঃ)য়ে হজৰত মুছাব বিন উমিৰ (ৰাঃ)ক তেওঁলোকৰ লগত মদিনালৈ পঠাইছিল যাতে এখেত (ৰাঃ)য়ে তেওঁলোকক কোৰ-আন পঢ়ায় আৰু ইছলামৰ শিক্ষা প্ৰদান কৰে। মদিনাত গৈ হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে হজৰত আছাদ বিন জৰাৰাহ (ৰাঃ)ৰ ঘৰত অৱস্থান কৰিছিল। কিন্তু পিছত হজৰত ছাআদ বিষন মুৱাজ (ৰাঃ)ৰ ঘৰলৈ স্থানান্তৰিত হৈছিল। হজৰত মুছাব (ৰাঃ)য়ে নমাজৰ ইমামতিৰ দায়িত্ব পালন কৰিছিল। হজৰত বৰাআ বিন আযবৰ পৰা বৰ্ণিত আছে যে নবী কৰিম (ছাঃ)ৰ মুহাজেৰিণ চাহাবা সকলৰ মাজত সৰ্ব প্ৰথম মদিনাত আমাৰ ওচৰলৈ আহিছিল মুছাব বিন উমিৰ (ৰাঃ) আৰু উম্মে মুকতুম। এওঁলোক দুজনে মদিনালৈ আহি আমাক কোৰ-মজিদ পঢ়াবলৈ আৰম্ভ কৰিছিল। হজৰত বাৰাআ কৈছে যে - মই মদিনাৰ বাসিন্দা সকলক ইমান আনন্দিত হোৱা কেতিয়াও দেখা নাছিলো, যিমান তেওঁলোকে নবী কৰিম (ছাঃ)য়ে মদিনাত অহাৰ বাবে আনন্দিত হৈছিল। কন কন লৰা ছোৱালী সকলেও কৈ ফুৰিছিল যে তেখেত (ছাঃ) আল্লাহৰ ৰছুল; আমাৰ ইয়ালৈ আহিছে।

ছিৰাত খাতামান্নাবীঈনত হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিছে যে দ্বাৰে আৰকামত যি সকল ব্যাক্তিয়ে ঈমান স্থাপন কৰিছিল, তেওঁলোকেও প্ৰাথমিক যুগৰ মুছলমান বুলি গণ্য হয়। তেওঁলোকৰ মাজত বিখ্যাত কেইজন আছিল - প্ৰথমে মুছাব বিন উমিৰ (ৰাঃ), যিজন বহুত সুঠাম আৰু ধুনীয়া আছিল আৰু নিজৰ বংশৰ ওচৰত বৰ প্ৰিয় চেনেহৰ আছিল। এইজনেই আছিল ডেকা বুজুৰ্গ, যিয়ে ইয়াছৰবত প্ৰথম ইছলামী মোবাল্লিগ হিচাপে আহিছিল আৰু যাৰ জড়িয়তে মদিনাত ইছলাম প্ৰচাৰ হৈছিল। হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়েই মদিনাত সৰ্বপ্ৰথম (হিজৰতৰ আগতেই) ছাআদ বিন খিছমাহৰ ঘৰত জুমাৰ নমাজ পঢ়াইছিল। হজৰত মুচাব (ৰাঃ)য়ে হজৰত ছাআদ বিন জৰাৰাহক লগত লৈ আনছাৰ সকলৰ বিভিন্ন মহল্লাত ইছলামৰ তবলিগ কৰিবলৈ কৰিবলৈ গৈছিল। হজৰত মুছাব (ৰাঃ)ৰ তবলিগত বহু সংখ্যক চাহাবা মুছলমান হৈছিল। যি সকলৰ মাজত কুবাৰ চাহাবীও আছিল, উদাহৰণ স্বৰূপে - হজৰত ছাআদ বিন মুৱাজ (ৰাঃ), হজৰত ইবাদ বিন বশিৰ (ৰাঃ), হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ), হজৰত আছিৰ বিন হজিৰ (ৰাঃ) আদি।

হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ তবলিগ প্ৰচেষ্টাত মদিনাত ঘৰে ঘৰে ইছলামৰ চৰ্চা হবলৈ লৈছিল আৰু আউচ আৰু খজৰজি সকলে অতি সোনকালে দলে দলে মুছলমান হবলৈ আৰম্ভ কৰিছিল। কোনো কোনো ঠাইত কবিলাৰ পিছত কবিলা ধৰি এটা দিনৰ ভিতৰতেই মুছলমান হৈ গৈছিল। এনেদৰে বণু আবদান আছহাল গোত্ৰও একে সময়তেই একগোট মুছলমান হৈ গৈছিল। উক্ত কবিলাটো আনছাৰ সকলৰ বিখ্যাত কবিলা আউচৰ এক শক্তিশালী অংশ আছিল আৰু ইয়াৰ চৰদাৰ আছিল ছাআদ বিন মুৱাজ। এখেত (ৰাঃ) কেৱল বণু আবদল আছহাল কবিলাৰেই চৰদাৰ নাছিল বৰং আউচ কবিলাৰও মহান নেতা আছিল। যেতিয়া মদিনাত ইছলামৰ প্ৰচাৰ ও প্ৰসাৰ হবলৈ লৈছিল তেতিয়া ছাআদ বিন মুৱাজে সেয়া বেয়া পাইছিল আৰু বাধা প্ৰদান কৰিব বিচাৰিছিল। ইছলাম গ্ৰহন কৰাৰ আগতে ছাআদ বিন মুৱাজে ইছলামৰ বিৰুধীতা কৰিছিল। কিন্তু আছাদ বিন

জৰাৰাহ (ৰাঃ)ৰ সৈতে এখেতৰ নিকট আত্মীয়ৰ সম্পৰ্ক আছিল অৰ্থ্যাৎ এওঁলোক দুয়ো মাহীয়েকি ভায়েক আছিল আৰু আছাদ বিন জৰাৰাহ (ৰাঃ)য়ে ইতিমধ্য মুছলমান হৈ গৈছিল। সেয়ে ছাআদ বিন মুৱাজক পোনপটীয়াকৈ এখেত বাধা প্ৰদান কৰিছিল যাতে কোনো ধৰণৰ বিশৃংখলাৰ সুত্ৰপাত নহয়। সেয়ে ছাআদ বিন মুৱাজে নিজৰ আন এজন আত্মীয় আছিদ বিন আল হাজৰত কৈছিল যে আছাদ বিন জৰাৰাহৰ কাৰণে মোৰ অলপ বাধাৰ সৃষ্টি হৈছে। গতিকে তুমি গৈ মুছাবক বাধা দিয়া তেওঁ যেন আমাৰ লোক সকলৰ মাজত বেদ্বীনি প্ৰচাৰ নকৰে আছাদকও কৈ দিয়া যে এনে কাম কৰা ভাল নহয়। আছিদ বণু আবদাল আছহাৰ কবিলাৰ চৰদাৰ সকলৰ মাজত এজন শক্তিশালী চৰদাৰ আছিল আৰু ছাআদ বিন মুৱাজৰ বাদেই আছিদ বিন আল হজিৰৰ কবিলাৰ ওপৰত প্ৰভুত্ব আছিল। গতিকে ছাআদ বিন মুৱাজৰ কথা মতে আছিদে মুছাব বিন উমিৰ (ৰাঃ) আৰু আছাদ বিন জৰাৰাহৰ ওচৰত গৈছিল আৰু মুছাবৰ ওপৰত ক্ৰোধান্বিত হৈ কৈছিল যে তুমি কিয় আমাৰ লোক সকলক বেদ্বীন কৰিবলৈ আৰম্ভ কৰিছা, তুমি এইবোৰ এৰি দিয়া নহলে কিন্তু ভাল নহব। লগে লগে মুছাবে ইয়াৰ উত্তৰ দিওতেই আছাদে লাহেকৈ মুছাবক কৈছিল যে এওঁ তাৰ কবিলাৰ এজন প্ৰভাৱশালী ব্যাক্তি গতিকে তাৰ লগত নম্ৰতাৰে আৰু ভালপোৱাৰ সৈতে কথা পাতা। এয়া শুনি মুছাবে বৰ সন্মান আৰু মৰম আল্পত ভাৱে আছিদক কৈছিল - আপুনি বেয়া নাপায় যদি দয়া কৰি অলপ সময় বহক আৰু শান্ত ভাৱে আমাৰ কথাবিলাক অলপ শুনি লওঁক। তাৰ পিছত আপুনি আপোনাৰ যিকোনো ৰায় প্ৰদান কৰিব। আছিদে উক্ত কথাখিনি গ্ৰহনযোগ্য বুলি বিবেচনা কৰি অলপ সময়ৰ ভাৱে বহি লৈছিল। আছিদ নেক চৰিত্ৰৰ লোক আছিল, মুছাব (ৰাঃ)য়ে তেওঁক কোৰ-আন পাঠ কৰি শুনাইছিল। সেয়া শুনি আছিদে ইমানেই প্ৰভাৱিত হৈছিল যে তাতেই মুছলমান হৈ গৈছিল। তাৰ পিছত কৈছিল যে মোৰ বাদে আন এজন লোক আছে , তেওঁ যদি ঈমান স্থাপন কৰে তেন্তে আমাৰ সম্পূৰ্ণ কবিলা মুছলমান হৈ যাব। তুমি অলপ ৰবা, মই তাক তোমাৰ ওচৰলৈ পঠাই আছো। এই বুলি উঠি গুচি গৈছিল আৰু কিবা উপায়েৰে ছাআদ বিন মুৱাজক মুছাব বিন উমিৰ (ৰাঃ) আৰু আছাদ বিন জৰাৰাহ (ৰাঃ)ৰ ওচৰত পঠাই দিছিল। তেতিয়া মুছাব (ৰাঃ)য়ে তেনেদৰেই নম্ৰ আৰু চেনেহ ভৰা মাতেৰে ছাআদক তবলিগ কৰিছিল। বেছি দেৰি নহওঁতেই তাৰ ভূত পলাই সাৰিছিল আৰু ছাআদে গা ধুই শুদ্ধি হৈ আহি কলেমা শ্বাহাদত পঢ়িছিল। ইয়াৰ পিছত ছাআদ বিন মুৱাজ আৰু অছিদ বিন আলহজিৰে একেলগে মিলি নিজৰ কবিলাৰ ওচৰত গৈছিল আৰু ছাআদে তেওঁলোকক শুদ্ধ আৰবী ভাষাৰে সুধিছিল যে - হে বণি আবদাল আছহাল তোমালোকে মোক কিমান দূৰ কেনেকুৱা বুলি জানা ? তেতিয়া সকলোৱে এক স্বৰে কৈছিল যে আপুনি আমাৰ চৰদাৰ আৰু চৰদাৰ ইবনে চৰদাৰ আৰু আপোনাৰ কথাৰ ওপৰত আমাৰ পূৰ্ণ বিশ্বাস আছে। তেতিয়া ছাআদে কৈছিল - তেন্তে মোৰ সৈতে তোমালোকৰ কোনো সম্পৰ্ক নাই যেতিয়ালৈকে তোমালোকে আল্লাহ আৰু তাৰ ৰছুলৰ ওপৰত ঈমান স্থাপন নকৰা। ইয়াৰ পিছত ছাআদে তেওঁলোকক ইছলামৰ ৰীতি-নীতি বুজাইছিল আৰু সেইদিনা আবেলি নহওঁতেই গোটেই কবিলা মুছলমান হৈছিল। ইয়াৰ পিছতেই ছাআদ (ৰাঃ) আৰু আছিদ (ৰাঃ)য়ে নিজ হাতেৰে নিজৰ সম্প্ৰদায়ৰ ভূতবোৰ উলিয়াই আনি ভাঙি পেলাইছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব বৰ্ণনা কৰিছে যে তেৰ নবুৱীৰ জিল হজ্ব মাহত হজ্বৰ সময়ত আউচ আৰু খজৰজ কবিলাৰ কেইবা শ লোক মক্কালৈ আহিছিল। মুছাব বিন উমিৰেও তেওঁলোকৰ লগত আহিছিল। মুছাব (ৰাঃ)ৰ মাকে তেতিয়াও জীয়াই আছিল আৰু মুশৰিকা আছিল। কিন্তু তাই মুছাব (ৰাঃ)ক বৰ মৰম কৰিছিল। যেতিয়া তাই মুছাব (ৰাঃ)য়ে মক্কালৈ অহাৰ খবৰ পাইছিল তেতিয়া তাই মুছাবক খবৰ দিছিল যে তেওঁ গৈ আগতে মাকক লগ ধৰিব লাগে তাৰ পিছত অইন ঠাইলৈ যাব লাগে। মুছাব (ৰাঃ)য়ে ইয়াৰ উত্তৰত কৈ পঠাইছিল যে মই এতিয়াও ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে দেখা কৰা নাই। গতিকে তেখেত (ৰাঃ)য়ে আগতে গৈ আঁহজৰত (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল আৰু তেখেত (ছাঃ)ৰ লগত দেখা সাক্ষাৎ কৰি পেলাই নিজৰ মাকৰ ওচৰলৈ গৈছিল। মাকে মুছাবক দেখি বৰকৈ কান্দিছিল আৰু বিভিন্ন অভিযোগ কৰিছিল। তেতিয়া মুছাব (ৰাঃ)য়ে মাকক কৈছিল যে - মা ! মই তোমাক এটা ভাল কথা কব বিচাৰো, যি তোমাৰ নিমিত্তে বৰ লাভদায়ক আৰু সকলো বিবাদৰ অন্ত পৰিব। মাকে সুধিছিল সেয়ানো কি কথা ? মুছাব (ৰাঃ)য়ে লাহেকৈ উত্তৰ দিছিল, বাছ কথাটো হল এয়া যে মুৰ্ত্তি পুজা কৰা এৰি তুমি মুছলমান হৈ যোৱা। আঁহজৰত (ছাঃ)ৰ ওপৰত ঈমান স্থাপন কৰা। মুছাব (ৰাঃ)ৰ মাকে কট্টৰ পৌত্তলিকা আছিল, সেয়ে মুছাব (ৰাঃ)ৰ উক্ত কথাবোৰ শুনোতেই চিঞৰি উঠিছিল যে - মোক তৰাৰ হইত ! মই কেতিয়াও তোমালোকৰ ধৰ্ম গ্ৰহন নকৰো। লগতে নিজৰ আত্মীয় সকলক মুছাব (ৰাঃ)ক বন্দী কৰিবলৈ ইংগিত দিছিল। কিন্তু

মুছাব (ৰাঃ)য়ে তাৰ পৰা পলাই গুচি আহিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ বিষয়ে আগলৈ আৰু বৰ্ণনা কৰা হব। ইনশা আল্লাহ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি নমাজে জুমাৰ পিছত দুটা নমাজে জানাজা পঢ়িবলৈ আছে। তাৰে এটা জানাজা হল মকৰম মালিক মনোৱৰ আহমদ জাবেদ চাহাব ইবনে মকৰম মালিক মুজফৰ আহমদ চাহাবা জানাজা। এখেত ২০২০ চনৰ ২২ ফেব্ৰুৱাৰীত ৮৪ বছৰ বসয়ত মৃত্যুবৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলাইলি ৰাজিউন। মৰহুম মালিক মনোৱৰ আহমদ জাবেদ চাহাবৰ ককা দেউতা হজৰত ডক্টৰ জাফৰ চৌধুৰী আৰু নানা হজৰত শ্বেইখ আব্দুল কৰিম চাহাব,দুয়োজনেই হজৰত মছিহ মাওউদ আঃ)ৰ হাতত বয়াত কৰিছিল আৰু চাহাবৰ মৰ্যাদা লাভ কৰিছিল। মৰহুম মনোৱাৰ চাহাবে ১৯৮৩ চনৰ ১০ আগষ্টত হজৰত খলিফাতুল মছিহ চতুৰ্থৰ ওচৰত ওয়াকফে জীন্দেগীৰ বাবে আবেদন কৰিছিল আৰু সেই আবেদন হুজুৰ (ৰহঃ)য় ১৮ আগষ্ট ১৯৮৩ চনত অনুমোধন কৰিছিল। সেই সময়ত মৰহুম মনোৱৰ চাহাবে চৰকাৰী চাকৰি কৰি আছিল। সেই সময়ৰ ঘটনা বৰ্ণনা কৰোঁতে এবাৰ মালিক মনোৱৰ চাহাবে কৈছে যে - চাকৰি কৰা কালত আমৰ এজন ইনচাৰ্জ বৰ সহানুভূতিশীল আছিল। এবাৰ তেওঁ মোবাহাশা কৰিবলৈ মোৰ ওচৰত প্ৰফেছৰ খালিদ মেহমুদ চাহাবক লৈ আহিছিল। তেওঁ সেই সময়ৰ এজন প্ৰখ্যাত আলিম আছিল। যেতিয়া সেই আলিম চাহাবৰ সৈতে কথা কটাকটি হৈছিল, তেতিয়া তেওঁ খঙতে গালি পাৰিবলৈ আৰম্ভ কৰিছিল। তেতিয়া ইনচাৰ্জ চাহাবে ভয় খাইছিল যে - কিবা বিষয়টো বেয়াৰ ফালে যায় নেকি ! তেতিয়া সেই আলিমজনে মোৰ ইনচাৰ্জ চাহাবক সাহস যোগাই কৈছিল যে এওঁলোযেম খোদা আৰু ৰছুল আৰু কিতাপৰ ওপৰত ইমানেই অন্যায় কৰি আছে যে আল্লাহ তায়ালা এওঁলোকক ধংস কৰি দিলেহেতেঁন কিন্তু প্ৰত্যেক বাৰেই এওঁলোকে ৰক্ষা পায় কাৰণ এওঁলোকে নিজৰ নমাজৰ মাজত বৰ আকুতিৰে কান্দি থাকে। ইয়াৰ অৰ্থ এয়া ওলায় যে আলিমজনে বিশ্বাস কৰিছিল যে আহমদী সকলক আল্লাহৰ দৰবাৰত কৰা প্ৰাৰ্থনা সকলো সময়তেই কামত আহে। আল্লাহ এওঁলোকৰ প্ৰাৰ্থনা শুনে। আল্লাহ তায়ালা তেওঁলোকৰ জ্ঞানৰ নয়ন উন্মোচন কৰক আৰু যি সম্প্ৰদায়ক এওঁলোকে আওবাটেৰে লৈ গৈ আছে আৰু ভূল নিৰ্দেশনা দি আছে, আল্লাহ তায়ালা সেই সম্প্ৰদায়ক এওঁলোকক প্ৰৱঞ্চনাৰ পৰা মুক্ত কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেতিয়া মই নাজিৰ আলা পদত আছিলো, তেতিয়া নাজিৰ জিয়াফত পদও আছিল আৰু এখেতে আছিল নায়েব নাজিৰ জিয়াফত। মই দেখিছো যে এখেতে জমাতী বস্তুৰ প্ৰতি বৰ চিন্তা আৰু দায়িত্ব ৰাখিছিল। এখেতে ন্যায্য কৰিবলৈ কেতিয়াও পিছুৱাই যোৱা নাছিল। মোৰ নায়েব (সহকাৰী) হোৱা সত্বেও যদি কোনো ক্ষেত্ৰত জমাতৰ স্বাৰ্থত কোনো বস্তু তেখেতে ভাল বুলি বিবেচনা কৰিছিল তেন্তে মই কোনো বেলেগ এটা কোৱা দেখিলে বিনা দ্বিধাই মোৰ ৰায়ৰ বিপৰীতে পৰামৰ্শ আগবঢ়ায়ছিল আৰু এনেদৰে কৈছিল যে এয়া এনেদৰে হলে বেছি ভাল হব। সাধাৰণতে এনে গুণাৱলী সদায় ওয়াকফে জীন্দেগীত থকা উচিত যে নিজৰ ৰায় সন্মান বজাই ৰাখি শুদ্ধভাৱে যেন আগবঢ়োৱা হয়। মৰহুমৰ খিলাফতৰ প্ৰতি থকা আনুগত্য বহুত উচ্চ পৰ্যায়ৰ আছিল। এয়া তেখেতৰ প্ৰত্যেক খন প্ৰেৰিত পাত্ৰৰ পৰা প্ৰকাশ পাইছিল। আল্লাহ তায়ালা তেখেতৰ সৈতে দয়া আৰু ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক। তেখেতৰ পৰলৌকিক মৰ্যাদা উন্নীত কৰক।

দ্বিতীয় জানাজা হল মকৰম প্ৰফেচৰ মনোৱৰ শামিম খালিদ চাহাব ইবনে শ্বেইখ মেহবুব আলম খালিদ চাহাবৰ জানাজ। ২০২০ চনৰ ১৬ ফেব্ৰুৱাৰীত প্ৰায় ৪১ বছৰ বসয়ত ৰাবোয়াত এখেতৰ মৃত্যু হয়। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। ১৯৬৪ চনত এখেতৰ বিয়াৰ সময়ত হজৰত খলিফাতুল মছিহ ছালিছে কৈছিল যে মোৰ বন্ধু মেহবুব আলম চাহাবৰ পুত্ৰ মনোৱৰ শামিম মোৰ নিজৰ পুত্ৰৰ দৰে আপোন।

মনোৱৰ শামিম খালিদ চাহাব অলেখ গুনাৱলীৰ অধিকাৰী আছিল। সৰ্ব প্ৰথম গুন হল খলিফা ওয়াক্তৰ সৈতে অহেতুকী প্ৰেম বিশ্বাস আৰু আনুগত্য অগাধ আছিল। নমাজ,ৰোজা, আৰু তাহাজ্জুদ আসক্ত আছিল। কলেজত কিছুদিন মই তেখেতৰ ছাত্ৰ আছিলো। তাৰ পিছত যেতিয়া মই আমিৰ মোকামি নাজিৰ আলা আছিলো তেখেতে মোৰ লগত শ্ৰদ্ধা, আদৰ, সন্মান,অটুট ৰাখিছিল। কেতিয়াও এনেকুৱা দেখুওৱা নাছিল যে “তুমি মোৰ ছাত্ৰ আছিলা” নিজামে খিলাফত নিজামে জমাতৰ অনুশাসন সম্পুৰ্ণ আনুগত্যৰ সৈতে মানি চলিছিল। খিলাফতৰ বাদেও মোৰ লগত তেখেতৰ সম্পৰ্ক আছিল অসাধাৰণ। আল্লাহ তায়ালা তেখেতৰ ৰূহৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ কৰক। নিজৰ চেনেহৰ আঁচলত ঠাই দিয়ক। (আমিন)